# 2016

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) 'বহল ব্যাকৰণ'ৰ ৰচক কোন?

(খ) "ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা।" কোনে কৈছিল?

(গ) অসমীয়া ভাষাত নাসিক্য ধ্বনিৰ সংখ্যা কেইটা?

(ঘ) বিশিষ্ট ধ্বনিৰ অন্য নাম কি?

(ঙ) 'লিংগ' শব্দৰ অৰ্থ কি?

(চ) অসমীয়াত বচন কেইটা?

(ছ) তদ্ধিৎ প্ৰত্যয় কাক বোলে?

(জ) অসমীয়া ভাষাত কাৰক কেইটা?

(ঝ) অসমীয়া বিভক্তিবোৰক কেইটা ভাগত ভগাব পাৰি?

(ঞ) 'তৎসম' শব্দ কাক বোলে?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাৰ বিষয়ে কোনে প্ৰথমে ব্যাকৰণ লিখিছিল? ব্যাকৰণখনৰ নাম কি?

(খ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি?

(গ) অসমীয়া ভাষাত স্ত্ৰী-প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে লিখা।

(ঘ) কৰ্তা কাৰক কাক বোলে? কৰ্তা কাৰকত কি বিভক্তি যোগ হয়?

(ঙ) তদ্ভৱ শব্দ কাক বোলে? উদাহৰণ দিয়া।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিৰ এখন তালিকা যুগুত কৰা।

(খ) অসমীয়া ভাষাত কি কি উপায়েৰে লিংগ নিৰূপণ কৰা হয়, লিখা।

(গ) অসমীয়া ভাষাৰ কাৰক আৰু শব্দ বিভক্তি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাত আন ভাষাৰ পৰা অহা ধাতু সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

(ঙ) অসমীয়া বাক্যতত্ত্ব সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাৰ বহুবচনৰ প্ৰত্যয় সম্পৰ্কে চমুকৈ আলোচনা কৰা।





৪। (ক) অসমীয়া ব্যাকৰণৰ ঐতিহাসিক পটভূমি সম্পৰ্কে লিখা। ১০

*অথবা*

(খ) স্বৰধ্বনি বুলিলে কি বুজা? ওঁঠৰ আকৃতি, জিভাৰ উচ্চতা আৰু অংশ অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা যুগুত কৰা। ২+৮=১০

৫। (ক) বচন বুলিলে কি বুজা? সংস্কৃতত বচন কেইটা আৰু কি কি? অসমীয়া বচনৰ প্ৰকাৰভেদ সম্পৰ্কে উদাহৰণসহ লিখা। ২+৩+৫=১০

*অথবা*

(খ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাত লিংগ ব্যাকৰণগত হয়নে নহয়, যুক্তিসহ প্ৰতিপন্ন কৰা। ২+৮=১০

৬। (ক) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া ধাতুৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰা। ১০

৭। (ক) “ভাষাবিজ্ঞানৰ মতে আকাংক্ষা, যোগ্যতা আৰু আসত্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে।” এই কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ বিভিন্ন উৎস সম্বন্ধে বহলাই লিখা। ১০

★★★